**2021**

( Held in 2022 )

ASSAMESE

Paper : ASM–HC–3036

**( Culture of Assam )**

( Honours Course )

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। অতি চমুকৈ উত্তৰ লিখা : ১×১০=১০

(ক) অসমৰ এটি মাতৃপ্ৰধান জনগোষ্ঠীৰ নাম লিখা।

(খ) ‘চমাংকান’ অসমৰ কোনটো জনগোষ্ঠীৰ উৎসৱ?

(গ) *Mother Goddess Kamakhya* গ্ৰন্থখনৰ ৰচক কোন?

(ঘ) অসমত বসবাস কৰা মংগোলীয় প্ৰজাতিৰ এটি জনগোষ্ঠীৰ নাম লিখা।

(ঙ) ফাগুন মাহৰ প্ৰথম বুধবাৰটোত মিচিংসকলে কি উৎসৱ পালন কৰে?

(চ) 'বাথৌ-ব্ৰাই' কোন জনগোষ্ঠীৰ উপাস্য দেৱতা?

(ছ) 'গাঁথিয়ন খুন্দা' লোকাচাৰৰ লগত কোনটো উৎসৱ জৰিত?

(জ) অসমৰ যি কোনো এটি পৰিৱেশ্য কলাৰ নাম লিখা।

(ঝ) আহোম যুগৰ এটি স্থাপত্যৰ নাম লিখা।

(ঞ) শুভংকৰ কবিয়ে ৰচনা কৰা নৃত্য-বিষয়ক গ্ৰন্থখনৰ নাম কি?

২। চমুকৈ উত্তৰ লিখা : ২×৫=১০

(ক) সংস্কৃতিৰ দুটা বৈশিষ্ট্য লিখা।

(খ) অসমৰ দুখন শক্তিপীঠৰ নাম লিখা।

(গ) প্ৰাচীন অসমত চৰাইৰ দ্বাৰা খেলোৱা দুবিধ খেলৰ নাম লিখা।

(ঘ) অসমৰ প্ৰাচীন স্থাপত্যবোৰ স্থায়ী হৈ নথকাৰ দুটা কাৰণ উল্লেখ কৰা।

(ঙ) "অসমত প্ৰচলিত পৰিৱেশ্য কলাসমূহক মূলত দুটা ভাগত ভাগ কৰিব পাৰি।" ভাগ দুটা কি কি?

৩। যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ লিখা : ৫×৪=২০

(ক) "সংস্কৃতি সামাজিক উত্তৰাধিকাৰ।" কথাষাৰ ব্যাখ্যা কৰা।

(খ) অসমীয়া জাতিগঠন প্ৰক্ৰিয়া সম্পৰ্কে চমুকৈ লিখা।





(গ) কৃষি উৎসৱ হিচাপে মহোহো *অথবা* ভঠেলিৰ এটি আলোচনা আগবঢ়োৱা।

(ঘ) গোৱালপাৰা অঞ্চলত প্ৰচলিত এবিধ পৰিৱেশ্য কলাৰ পৰিচয়মূলক টোকা লিখা।

(ঙ) অসমীয়া সমাজত প্ৰচলিত জন্ম-সম্পৰ্কীয় লোকাচাৰৰ বিষয়ে চমুকৈ লিখা।

(চ) আহোম যুগত প্ৰচলিত খেল-ধেমালিসমূহৰ এটি চমু আভাস দিয়া।

৪। (ক) অসমৰ জনজাতীয় সংস্কৃতিৰ বৈশিষ্ট্যসমূহ উল্লেখ কৰি এটি নিবন্ধ যুগুত কৰা। ১০

*অথবা*

(খ) "বিভিন্ন জাতি-উপজাতিক ঐক্যবদ্ধ কৰি এক অসমীয়া জাতিগঠন আহোমসকলৰ অতুলনীয় কীৰ্তি।" এই উক্তিৰ আধাৰত অসমীয়া জাতিগঠন প্ৰক্ৰিয়াত আহোমসকলৰ অৱদান সম্পৰ্কে লিখা।

৫। (ক) প্ৰাচীন কালৰ পৰা অসমত প্ৰবাহিত হৈ থকা শাক্ত ধৰ্মৰ ধাৰা সম্পৰ্কে এটি নিবন্ধ যুগুত কৰা। ১০

*অথবা*

(খ) অসমৰ সত্ৰীয়া সংস্কৃতিয়ে অসমীয়া সমাজ-জীৱনক কিদৰে সমৃদ্ধ কৰিছে, আলোচনা কৰা।

৬। (ক) বিহু গীতবোৰৰ মাজত অসমৰ কৃষিজীৱী সমাজ-জীৱনৰ চিত্ৰ কিদৰে চিত্ৰিত হৈছে, আলোচনা কৰা। ১০

*অথবা*

(খ) বিহু উৎসৱৰ লগত কৃষি-সম্পৰ্কীয় কেনেধৰণৰ লোকবিশ্বাস প্ৰচলন আছে, আলোচনা কৰা।

৭। (ক) প্ৰাচীন অসমত স্থাপত্য নিৰ্মাণত কেনেধৰণৰ কেঁচা সামগ্ৰী ব্যৱহাৰ কৰিছিল? অসমৰ স্থাপত্য সম্পৰ্কে এটি আলোচনা আগবঢ়োৱা। ১০

*অথবা*

(খ) অসমৰ সচিত্ৰ পুথিসমূহৰ এটি ৰূপৰেখা তুলি ধৰা।

★★★